**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। উচ্চতম ন্যায়ালয়ে আজি ৱক্‌ফ সংশোধনী আইন ২০২৫-ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনাই কৰা আবেদনসমূহৰ শুনানি পুনৰ গ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে শক্তি সুৰক্ষাক অন্যতম গুৰুত্বপূৰ্ণ গোলকীয় প্ৰত্যাহ্বান বুলি প্ৰকাশ কৰিছে।

৩। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰবল বৰষুণৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান প্ৰতিষ্ঠানৰ য়েল্ল’ এলাৰ্ট জাৰি।

৪। সীমান্ত সুৰক্ষা বাহিনীয়ে পাঞ্জাব ফ্ৰণ্টিয়াৰকে ধৰি ভাৰত-পাকিস্তান সীমান্তৰ তিনিওটা যুটিয়া তালাচী চকীত আজিৰেপৰা ৰিট্ৰিত সমাৰোহ পুনৰ আৰম্ভ হ’ব বুলি ঘোষণা কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত আজি হ’বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

ooooooo

উচ্চতম ন্যায়ালয়ে আজি ৱক্‌ফ সংশোধনী আইন ২০২৫-ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনাই কৰা আবেদনসমূহৰ শুনানি পুনৰ গ্ৰহণ কৰিব। আজিৰ শুনানিত এই গোচৰটোত অন্তৰ্বৰ্তীকালীন নিৰ্দেশ সংক্ৰান্তীয় তিনিটা মূল বিষয় – আদালতে ৱক্‌ফ সম্পত্তি বুলি ঘোষণা কৰা সম্পত্তি ঘূৰাই দিয়াৰ ক্ষমতা, ভোগ কৰি থকা ৱক্‌ফ সম্পত্তিৰ মালিকানা আৰু ডিক্ৰীৰ জৰিয়তে ৱক্‌ফ সম্পত্তি সম্পৰ্কত আদালতে বিবেচনা কৰাৰ সম্ভাৱনা আছে। ৰাজ্যিক ৱক্‌ফ ব’ৰ্ড আৰু কেন্দ্ৰীয় ৱক্‌ফ পৰিষদৰ গঠন প্ৰক্ৰিয়া সম্পৰ্কত আবেদনকাৰীসকলে দাখিল কৰা আপত্তি সম্পৰ্কেও সৰ্বোচ্চ আদালতে বিবেচনা কৰিব। উল্লেখযোগ্য যে আবেদনকাৰীসকলে তেওঁলোকৰ আবেদনকেইখনত কেৱল মুছলমান সম্প্ৰদায়ৰ ব্যক্তিয়েহে এইসমূহৰ সদস্য হ’ব লাগে বুলি যুক্তি দৰ্শাইছে।

ৱক্‌ফ সংশোধনী আইন ২০২৫-ত উল্লেখ কৰা অনুসৰি অনুসন্ধানৰ পাছত জিলা দণ্ডাধীশে কোনো ৱক্‌ফ সম্পত্তিক চৰকাৰী সম্পত্তিৰূপে গণ্য কৰাৰ ক্ষমতাকো আবেদনকাৰীসকলে প্ৰত্যাহ্বান জনাইছে।

আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে মুখ্য ন্যায়াধীশ বি আৰ গৱাই আৰু ন্যায়াধীশ আগষ্টিন জৰ্জ মাশ্বিয়ে এই সম্পৰ্কীয় গোচৰৰ শুনানি যোৱা ১৫ মে’ত স্থগিত ৰাখিছিল। ১৫ মে’ৰ শুনানিত মুখ্য ন্যায়াধীশ গৱাইয়ে ১৯৯৫ চনৰ মূল ৱক্‌ফ আইনখনক প্ৰত্যাহ্বান জনোৱা সম্পৰ্কীয় কোনো বিষয় বিবেচনা নকৰে আৰু বিচাৰ প্ৰক্ৰিয়া কেৱল ২০২৫ চনৰ ৱক্‌ফ সংশোধনী আইনৰ ব্যৱস্থাৱলীৰহে আইনী পৰ্যালোচনা কৰা হ’ব বুলি স্পষ্ট কৰি দিছে।

ooooooooo

কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে শক্তি সুৰক্ষাক অন্যতম গুৰুত্বপূৰ্ণ গোলকীয় প্ৰত্যাহ্বান বুলি প্ৰকাশ কৰিছে। ব্ৰাজিলত অনুষ্ঠিত ব্ৰিক্‌ছ শক্তিমন্ত্ৰীসকলৰ বৈঠকত ভাৰতক প্ৰতিনিধিত্ব কৰি মন্ত্ৰীগৰাকীয়ে দেশৰ নিকা শক্তি ক্ষেত্ৰৰ সাফল্যসমূহৰ ওপৰত আলোকপাত কৰে। শক্তিৰ উপলব্ধতা ত্বৰান্বিত কৰা, সেউজ হাইড্ৰ’জেন খণ্ডৰ প্ৰগতি সাধন, নৱীকৰণযোগ্য শক্তিৰ উন্নয়ন তথা শক্তিৰ উৎপাদন, সম্প্ৰসাৰণ কৰাৰ খণ্ডত দেশে লাভ কৰা দশকজোৰা প্ৰগতিৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। বহনক্ষম উন্নয়ন আৰু অৰ্থনৈতিক সুস্থিৰতা সুনিশ্চিত কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত গভীৰ সহযোগিতা গঢ়ি উঠাৰ উদ্দেশ্যে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ তেওঁ আহ্বান জনায়। শক্তি, সামৰ্থ্য, সেউজ হাইড্ৰ’জেন পাৰমাণৱিক শক্তি, জৈৱ ইন্ধনৰ ক্ষেত্ৰত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা তেওঁ দোহাৰে। বহনক্ষম উন্নয়নৰ লক্ষ্য সমৰ্থন কৰাৰ লগতে শক্তি খণ্ডৰ দুৰ্বলতাৰ সৈতে মোকাবিলা কৰাৰ কথা তথা শক্তি সুৰক্ষা ত্বৰান্বিত কৰি তোলাৰ উদ্দেশ্যে যৌথ প্ৰতিশ্ৰুতিবদ্ধতাৰ সৈতে বৈঠকখনৰ সামৰণি পৰে। ব্ৰিক্‌ছ মন্ত্ৰীসকলে শক্তিশালী মিত্ৰতা তথা বৈষম্যবিহীন

আন্তঃৰাষ্ট্ৰীয় শক্তি বিপণন ক্ষেত্ৰকে ধৰি বিভিন্ন দিশত সহযোগিতাৰ বাবে আহ্বান জনায়। তেওঁলোকে শক্তি খণ্ডৰ বাণিজ্যৰ ক্ষেত্ৰত স্থানীয় মুদ্ৰাৰ লেনদেনৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে। উল্লেখযোগ্য যে ২০২৬ চনত ভাৰতে ব্ৰিক্‌ছ শক্তি সন্মিলন আয়োজন কৰিব।

০০০০০০০০০

ভাৰতে বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা জনস্বাস্থ্য সমস্যা হিচাপে স্বীকৃত চকুৰ এবিধ সংক্ৰামক ৰোগ ট্ৰাক’মা নিৰ্মূলকৰণ প্ৰমাণপত্ৰ লাভ কৰিছে। জেনেভাত অনুষ্ঠিত ৭৮ সংখ্যক বিশ্ব স্বাস্থ্য মহাসভাত এই প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ৰোগ নিৰ্মূলকৰণ আৰু প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত বহনক্ষম প্ৰচেষ্টা আৰু সকলোৰে বাবে সু-স্বাস্থ্য নিশ্চিত কৰাৰ দিশত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ চিনস্বৰূপে এই সন্মান আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ৮ অক্টোবৰত বিশ্ব স্বাস্থ্য সংস্থাই ভাৰত চৰকাৰে ট্ৰাক’মা ৰোগ নিৰ্মূল কৰাৰ কথা ঘোষণা কৰিছিল। এই জনস্বাস্থ্য মাইলৰ খুঁটি অতিক্ৰম কৰা ভাৰত হৈছে দক্ষিণ-পূব এছিয়াৰ তৃতীয়খন দেশ। ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় দৃষ্টিহীনতা আৰু দৃষ্টি বাধাগ্ৰস্ততা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত এই ৰোগ নিৰ্মূলকৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০০০

জ্যেষ্ঠ এন চি পি নেতা চগন ভুজবালে আজি মহাৰাষ্ট্ৰৰ মহা যুটি চৰকাৰৰ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে আজি ৰাজভৱনত মন্ত্ৰীগৰাকীক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত মহাৰাষ্ট্ৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে আৰু অজিত পাৱাৰ উপস্থিত থাকে।

০০০০০০০০০

অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰবল বৰষুণৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান প্ৰতিষ্ঠানে য়েল্ল’ এলাৰ্ট জাৰি কৰিছে। অসমৰ বিভিন্ন স্থানত অহা দুই-তিনিদিনলৈ নেৰানেপেৰা বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। যোৱা মাজনিশাৰে পৰা গুৱাহাটী মহানগৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত প্ৰবল বৰষুণ হয়। বৰষুণৰ ফলত গুৱাহাটীৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত হোৱাৰ লগতে অসমৰ সৈতে মেঘালয় আৰু আন কেইবাখনো ৰাজ্যক সংযোগ কৰা **২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ**ৰ এছোৱা খানাপাৰাত প্লাৱিত হোৱাৰ ফলত যোগাযোগ ব্যৱস্থা প্ৰভাৱিত হৈছে। বতৰ বিজ্ঞান প্ৰতিষ্ঠানে জনোৱা মতে ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ অংশত অতিবৃষ্টি হোৱাৰ সম্ভাৱনা থকাৰ লগতে কিছু অঞ্চলত ২০০ মিলিমিটাৰলৈকে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চল পানীত বুৰ যোৱাৰ লগতে ঠাই বিশেষে গছ উভালি পৰা তথা ভূমিস্খলনৰ আশংকা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকাৰ লগতে জৰুৰীকালীন সেৱাসমূহ সাজু কৰি ৰাখিছে। গুৱাহাটীৰ বিভিন্ন বিদ্যালয় সতৰ্কতামূলক ব্যৱস্থা হিচাপে আজি বন্ধ ৰখা হৈছে।

০০০০০০০০০

সীমান্ত সুৰক্ষা বাহিনীয়ে পাঞ্জাব ফ্ৰণ্টিয়াৰকে ধৰি ভাৰত-পাকিস্তান সীমান্তৰ তিনিওটা যুটিয়া তালাচী চকীত আজিৰেপৰা ৰিট্ৰিত সমাৰোহ পুনৰ আৰম্ভ হ’ব বুলি ঘোষণা কৰিছে। বি এছ এফৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি আজিৰ এই সমাৰোহ কেৱল সংবাদকৰ্মীসকলৰ বাবেহে খোলা থাকিব আৰু কাইলৈৰ পৰা জনসাধাৰণে এই ৰিট্ৰিট সমাৰোহ প্ৰত্যক্ষ কৰিব পাৰিব। পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ পৰা সন্ত্ৰাসবাদী আন্তঃগাঁথনি বিনাশ কৰাৰ বাবে ভাৰতে চলোৱা অপাৰেচন সিন্দূৰৰ এদিন পাছতে যোৱা ৮ মে’ত আটাৰী, হুছেইনীৱালা আৰু চাদকি তালাচী চকীৰ ৰিট্ৰিট সমাৰোহ জনসাধাৰণৰ বাবে বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। অৱশ্যে দুয়োখন দেশৰ মাজৰ ভাৰতৰ ফালৰ দুৱাৰ বন্ধ থাকিব বুলি বি এছ এফে প্ৰকাশ কৰিছে। নিয়মীয়া পৰম্পৰা অনুসৰি সূৰ্যাস্তৰ পাছত ৰাষ্ট্ৰীয় পতাকা অৱনমিত কৰাৰ পাছত পাকিস্তান ৰেঞ্জাৰ আৰু ভাৰতীয় গাৰ্ড কমাণ্ডাৰৰ মাজত কৰমৰ্দন কৰা নহয়। একেদৰে সীমান্তৰ দুয়োপাৰৰ খেতি-পথাৰত কৰ্মৰত কৃষকসকলক কঠোৰ নীতি-নিয়মৰ মাজত খেতিত কাম কৰাৰ অনুমতি দিয়া হৈছে। বি এছ এফৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি সুৰক্ষা বাহিনীৰ বিষয়াসকলে বিভিন্ন খণ্ডৰ কৃষকসকলৰ সৈতে আলোচনা কৰি এনে মাটিত কৃষিকাৰ্যৰ বাবে আগ্ৰহীসকলক কঠোৰ নিৰীক্ষণৰ মাজত নিৰ্ধাৰিত সময়ৰ বাবে কাম কৰিবলৈ অনুমতি দিয়ে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজস্থানৰ বিকানেৰৰ দেশনোকেৰ পৰা অহা বৃহস্পতিবাৰে ১০৩ টা অমৃত ভাৰত ষ্টেচন মুকলি কৰিব। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত এই ষ্টেচনসমূহ অত্যাধুনিক সা-সুবিধাৰে মহানগৰৰ কেন্দ্ৰলৈ উন্নীত কৰা হৈছে। এই ষ্টেচনসমূহত আঞ্চলিক সংস্কৃতি আৰু ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব।

অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত উন্নীত হৈ থকা এহেজাৰ ৩০০ তকৈ অধিক ষ্টেচনৰ ভিতৰত ১৮ খন ৰাজ্যত ইতিমধ্যে ১০৩ টা ষ্টেচন সম্পূৰ্ণ হৈ উঠিছে। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশত সৰ্বাধিক ১৯ টা, গুজৰাটত ১৮ টা আৰু মহাৰাষ্ট্ৰত ১৫ টা ষ্টেচন উন্নীত কৰি তোলা হৈছে। মহানগৰসমূহৰ সাংস্কৃতিক, আধ্যাত্মিক আৰু ধৰ্মীয় ঐতিহ্যৰ ওপৰত ভিত্তি কৰি এই কেন্দ্ৰসমূহ স্থাপন কৰা হৈছে। এই পদক্ষেপৰ অধীনত ষ্টেচনসমূহত বহল পথ, পথাচাৰীৰ সেতু, আধুনিক জিৰণী গৃহকে ধৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি বিশেষভাৱে সক্ষম লোকৰ আহ-যাহৰ সুচলতাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০০০

পাকিস্তানে গণ বিতাড়ণ বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত ভাৰতে হাজাৰ হাজাৰ আফগান শৰণাৰ্থী পৰিয়াললৈ মানৱীয় সাহায্য আগবঢ়াইছে। আফগান শৰণাৰ্থী আৰু প্ৰত্যাৱৰ্তন মন্ত্ৰ্যালয়ে সদৰি কৰা অনুসৰি অলপতে পাকিস্তানৰ পৰা বলপূৰ্বকভাৱে বিতাড়িত হোৱা প্ৰায় ৫ হাজাৰ আফগান পৰিয়াললৈ ভাৰতে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী প্ৰেৰণ কৰিছে। শৰণাৰ্থী সঞ্চালকালয়ৰ কাবুলত থকা কাৰ্যালয়ৰ জৰিয়তে ১১ বিধ খাদ্য সামগ্ৰীৰ এই সাহায্য বিতৰণ কৰা হৈছে। আফগান শৰণাৰ্থী আৰু প্ৰত্যাৱৰ্তন দপ্তৰৰ মন্ত্ৰী মৌলৱী আব্দুল কবিৰে এই অবিৰত সমৰ্থনৰ বাবে ভাৰত চৰকাৰ তথা দেশখনৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। তেওঁ লগতে উচ্ছেদিত আফগান লোকসকলৰ প্ৰতি সাহায্য আগবঢ়াবলৈ অন্যান্য দেশ তথা সংস্থাসমূহলৈ আহ্বান জনায়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৱে নিৰ্ধাৰণ কৰি দিয়া ২০৬ ৰানৰ লক্ষ্য হায়দৰাবাদে ১৮ অ'ভাৰ আৰু ২টা বলত ৪টা উইকেটৰ বিনিময়ত সহজে অতিক্ৰম কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। এই পৰাজয়ৰ পাছত লক্ষ্ণৌৰ দলটো পইণ্ট তালিকাৰ সপ্তম স্থানলৈ অৱনমিত হয়। দলটো ইতিমধ্যে প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০০০০০

সমাপ্ত